# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-05-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰতৰ নদীসমূহৰ পানী দেশৰ হিতৰ বাবে ব'ব, দেশৰ উপকাৰতে সংৰক্ষণ কৰা হ'ব আৰু দেশৰ প্ৰগতিৰ বাবে ব্যৱহাৰ কৰা হ'ব।

২। ভাৰতীয় সশস্ত্ৰ সেনাই পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত মাজনিশা আক্ৰমণ চলাই **অপাৰেচন সিন্দূৰ** আৰম্ভ কৰে।

৩। ৮ মে'ৰ পৰা আৰম্ভ হ'বলগীয়া CUET-UGৰ পৰীক্ষা ১৩ মে' লৈ পিছুৱাই দিয়া হৈছে বুলি ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থাই প্ৰকাশ কৰিছে।

৪। অসমত আজি পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা এখন খেলত গুজৰাট টাইটানছে মুম্বাই ইণ্ডিয়ানছক ডাকৱৰ্থ-লেৱিছ-ষ্টাৰ্ণ পদ্ধতিৰে ৩ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰতৰ নদীসমূহৰ পানী দেশৰ হিতৰ বাবে ব'ব, দেশৰ উপকাৰতে সংৰক্ষণ কৰা হ'ব আৰু দেশৰ প্ৰগতিৰ বাবে ব্যৱহাৰ কৰা হ'ব। নতুন দিল্লীত কালি এটা ব্যক্তিগত টিভি চেনেলৰ সন্মিলনত প্ৰধানমন্ত্ৰীয়ে এই কথা উল্লেখ কৰি কয়, যে ভাৰতৰ নদীসমূহৰ বিপুল পৰিমাণৰ পানী সীমান্তৰ বাহিৰলৈ বৈ যায়। তেওঁ কয়, যে এতিয়াৰে পৰা ভাৰতৰ পানী নিজ দেশৰ ভিতৰতে থাকিব আৰু দেশৰ উন্নয়নৰ বাবে এই পানী ব্যৱহাৰ কৰা হ'ব। নদী আন্তঃসংযোগৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি শ্ৰীমোদীয়ে কয়, যে কেইবা দশক ধৰি নদীৰ পানীক লৈ জলবিবাদ হৈ আহিছে। তেওঁ কেন-বেটৱা সংযোগ প্ৰকল্প আৰু পাৰ্বতী-কালীসিন্ধ-সম্বল সংযোগ প্ৰকল্পৰ দৰে গুৰুত্বপূৰ্ণ প্ৰকল্পসমূহৰ কথা উল্লেখ কৰি কয়, যে এনে ধৰণৰ পদক্ষেপসমূহে পানীৰ সুবিধা নিশ্চিতকৰণৰ জৰিয়তে লাখ লাখ কৃষকক উপকৃত কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ মুক্ত বাণিজ্য চুক্তি প্ৰশংসা কৰি কয়, যে এই চুক্তিয়ে অৰ্থনৈতিক কাৰ্যকলাপ বৃদ্ধি কৰাৰ উপৰি ভাৰতীয় ব্যৱসায়ী তথা ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ বাবে সুযোগ সৃষ্টি কৰিব। ভাৰতে সংযুক্ত আৰব আমেৰি ৰাষ্ট্ৰ, অষ্ট্ৰেলিয়া আৰু মৰিচাচৰ সৈতেও বাণিজ্য চুক্তি স্বাক্ষৰ কৰিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতে বিশ্ব বাণিজ্যৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ দেশক আগশাৰীৰ ব্যৱসায় আৰু বাণিজ্য কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰিছে। বিগত ১০-১১ বছৰত তেওঁৰ চৰকাৰে বহু

দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে বিত্তীয় খণ্ডৰ ভালেমান উদাহৰণ দাঙি ধৰে। শ্ৰীমোদীয়ে মুম্বাইত অনুষ্ঠিত শেহতীয়া ৱেৰছ্ সন্মিলনৰ কথা উল্লেখ কৰি বিগত ৩ বছৰত কেৱল ইউ টিউৱৰ পৰাই ভাৰতীয় কনটেণ্ট ক্ৰিয়েটৰসকলে ২১ হাজাৰ কোটি টকা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰকাশ কৰে।

ooooo

ভাৰতীয় সশস্ত্ৰ সেনাই পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত মাজনিশা আক্ৰমণ চলাই **অপাৰেচন সিন্দূৰ** আৰম্ভ কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে, ভাৰতৰ বিৰুদ্ধে সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিকল্পনা কৰা মুঠ ৯টা স্থানত সেনাই আক্ৰমণ চলায়। মন্ত্ৰালয়ে লগতে এই আক্ৰমণত কোনো পাকিস্তানী সামৰিক ঘাটিক লক্ষ্য কৰি লোৱা হোৱা নাই বুলি জানিবলৈ দিয়ে। ভাৰতে আক্ৰমণৰ লক্ষ্য নিৰ্ধাৰণ আৰু কাৰ্য সম্পাদন কৰাৰ ক্ষেত্ৰত যথেষ্ট সংযম ৰক্ষা কৰিছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে উল্লেখ কৰে যে, পেহেলগামৰ বৰ্বৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ভাৰতে এনে পদক্ষেপ গ্ৰহণ কৰিছে। সন্ত্ৰাসবাদীয়ে ২৫ জন ভাৰতীয় নাগৰিক আৰু এজন নেপালৰ নাগৰিকক হত্যা কৰিছিল।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে **অপাৰেচন সিন্দূৰ** সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভাৰত মাতা কী জয় ধ্বনি দিয়ে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথেও  সেনাৰ এই অভিযানৰ প্ৰশংসা কৰে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদী শিবিৰত ভাৰতে বিমান আক্ৰমণ চলোৱাক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। শ্ৰীট্ৰাম্পে কয়, যে জনসাধাৰণে কিবা এটা বিশেষ হ'বলৈ গৈ আছে বুলি পূৰ্বেই অনুমান কৰিছিল। দুয়োখন দেশৰ মাজৰ এই চিন্তাজনক পৰিস্থিতি সোনকালে অৱসান ঘটিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

ইপিনে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰদেশসমূহৰ সচিব মাৰ্কো ৰুবিয়ই কয়, যে তেওঁ ভাৰত আৰু পাকিস্তানৰ মাজৰ পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত সচিবগৰাকীয়ে কয়, যে মাৰ্কিন ৰাষ্ট্ৰপতিয়ে ভাৰত আৰু পাকিস্তানৰ নেতাৰ মাজত শান্তিপূৰ্ণ সমাধানক লৈ আলোচনাৰ বাবে চেষ্টা কৰি যাব।

ooooo

অসমত আজি পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত মধ্য আৰু নামনি অসমৰ ১৩ খন জিলাৰ ১২ হাজাৰ ১৩০টা কেন্দ্ৰত পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি চাৰে ৪ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত ৯১ লাখ ৩১ হাজাৰ ১২৭ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। দ্বিতীয় পৰ্যায়ত ২৯ হাজাৰ ৬০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। অহা ১১ মে'ত পঞ্চায়ত নিৰ্বাচনৰ দুয়োটা পৰ্যায়ৰ ভোটগণনা কৰা হ'ব। উল্লেখযোগ্য যে, পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ১৪ খন জিলাত ৭০ দশমিক ১-৯ শতাংশ ভোটদান সম্পন্ন হয়। উল্লেখযোগ্য যে, সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত প্ৰথমবাৰৰ বাবে অসমৰ ২৮ খন জিলাত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হৈছে।

ooooo

চি ইউ ই টি-ইউ জি পৰীক্ষা ১৩ মেলৈ পিছুৱাই দিয়া হৈছে। ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা এনটিএই ঘোষণা কৰা অনুসৰি ৮মেৰ পৰা পৰীক্ষা আৰম্ভ হোৱাৰ কথা আছিল। সময়সূচী সালসলনিৰ পাছত এতিয়া পৰীক্ষা ১৩ মে'ৰ পৰা আৰম্ভ হ'ব। ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থাই কয় যে বৃহস্পতিবাৰে পৰীক্ষা আৰম্ভ হোৱাৰ কথা আছিল যদিও সংস্থাটোৱে বিষয়-অনুসৰি পৰীক্ষাৰ সময়সূচী প্ৰকাশ কৰা নাছিল। উল্লেখযোগ্য যে এইবাৰ প্ৰৱেশ পৰীক্ষাৰ বাবে চাৰে ১৩লাখৰো অধিক প্ৰাৰ্থীয়ে আবেদন কৰিছে। যোৱা বছৰ পৰীক্ষাৰ আৰ্হি সলনি কৰাৰ পাছত এইবাৰ পৰীক্ষা কেৱল কম্পিউটাৰ-আধাৰিত অৰ্থাত চিবিটি মোডত অনুষ্ঠিত কৰা হ'ব।

০০০০০

ভাৰতে আজি নতুন দিল্লীত গোলকীয় মহাকাশ অন্বেষণ সন্মিলন- গ্লেক্স ২০২৫ৰ দ্বাদশ সংস্কৰণ আয়োজন কৰিছে। মহাকাশ আৰু পাৰমাণৱিক শক্তি বিভাগৰ ৰাজ্যমন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে "ৰিচিং নিউ ৱৰ্ল্ডছ: এ স্পেচ এক্সপ্লোৰেচন ৰেনেছা" শীৰ্ষক তিনিদিনীয়া গোলকীয় সন্মিলনখন উদ্বোধন কৰিব। আন্তৰ্জাতিক মহাকাশচাৰী ফেডাৰেচন -আইএএফ, ভাৰতীয় মহাকাশ গৱেষণা সংস্থা -ইছৰোৰ উদ্যোগত আৰু ভাৰতীয় মহাকাশচাৰী সমিতি-এএছআইৰ সহযোগত আয়োজিত এই সন্মিলনে গোলকীয় মহাকাশ খণ্ডত ভাৰতৰ বৰ্ধিত নেতৃত্বক মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰিছে। ২০১০চনৰ পৰা আৰম্ভ হোৱা এই সন্মিলন আলোচনা, সহযোগিতা আৰু উদ্ভাৱনৰ বাবে এখন প্ৰধান মঞ্চ হিচাপে পৰিগণিত হৈছে। সন্মিলনত এইবাৰ ৩৬ খন দেশৰ ২৩৩ জন আন্তৰ্জাতিক প্ৰতিনিধিকে ধৰি ১৮০০ ৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি কয় যে ভাৰতে বিভিন্ন দেশৰ সৈতে দ্বিপাক্ষিক চুক্তি সফলতাৰে সম্পন্ন কৰি আহিছে আৰু ইউৰোপীয় সংঘৰ সৈতে দেশৰ পৰম্পৰাগত সম্পৰ্কৰ বাবে ইউৰোপীয় সংঘ ভাৰতৰ অগ্ৰাধিকাৰৰ শীৰ্ষত আছে। ইটালীৰ মিলানত অনুষ্ঠিত এডিবি শীৰ্ষক সন্মিলন সম্বোধন কৰি বিত্তমন্ত্ৰীগৰাকীয়ে বিশ্বব্যাপী হোৱা বিভাজনৰ কথা দোহাৰে আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ শুল্কনীতিৰ ফলত অনিশ্চয়তা বৃদ্ধি পাইছে বুলি কয়। বিশ্বব্যাপী যোগান শৃংখলা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে যোগান শৃংখলাৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভংগী হ্ৰস্বম্যাদী নহয়। মন্ত্ৰীগৰাকীয়ে ৫৮সংখ্যক এডিবি বাৰ্ষিক সভা ২০২৫ৰ আন এটা অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় বেংকসমূহৰ শীৰ্ষ বিষয়াসকলৰ সৈতেও মত বিনিময় কৰে। মূল ভাষণত তেওঁ বেংকিং ব্যৱস্থা দক্ষতাৰে পৰিচালনা কৰা আৰু সকলো স্তৰৰ গ্ৰাহকক সেৱা প্ৰদান কৰাটো নিশ্চিত কৰাৰ বাবে ভাৰত চৰকাৰৰ প্ৰতিশ্ৰুতিৰ কথা দোহাৰে। মন্ত্ৰীগৰাকীয়ে ভাৰতীয় উদ্যোগ খণ্ডক সহায় কৰাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় বেংকসমূহৰ ভূমিকাক প্ৰশংসা কৰে আৰু লগতে আন্তঃৰাষ্ট্ৰীয় বেংকসমূহক ভাৰতত তেওঁলোকৰ উপস্থিতি শক্তিশালী কৰিবলৈ আহ্বান জনায়।

০০০০০

ভাৰতৰ সশস্ত্ৰ সেনাই পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত বিমান আক্ৰমণ চলোৱাৰ পাছত উত্তৰ ভাৰতৰ ভালেমান বিমান বন্দৰৰ বন্ধ কৰি দিয়া হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত স্পাইচ জেটে পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰা পৰ্যন্ত ধৰমশালা, লেহ, জম্মু, শ্ৰীনগৰ আৰু অমৃতসৰ বিমান বন্দৰ বন্ধ কৰি দিয়া হৈছে বুলি প্ৰকাশ কৰিছে। ইন্দিগ'ই যাত্ৰীসকলক এই বিমান বন্দৰৰ পৰা উৰিবলগীয়া বিমানসমূহৰ যাত্ৰাৰ সবিশেষ পৰীক্ষা কৰিবলৈ পৰামৰ্শ দিছে।

০০০০০

দেশৰ বিভিন্ন অংশত আজি হ'বলগীয়া মকড্ৰিল অৰ্থাৎ অসামৰিক প্ৰতিৰক্ষা অনুশীলনৰ পৰিপ্ৰেক্ষিতত আকাশবাণীৰ বাতৰি সেৱা বিভাগে কালি নিশা প্ৰচাৰিত বিশেষ স্পটলাইটত অসামৰিক প্ৰতিৰক্ষা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কীয় অনুশীলনৰ বিষয়ে বিশেষজ্ঞসকলে মতামত ব্যক্ত কৰে।

ইংৰাজী ভাষাত প্ৰচাৰিত এই স্পটলাইটৰ অসমীয়া ভাষান্তৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি পুৱা ৯ বাজি ৩০ মিনিটত প্ৰচাৰ কৰিব। এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ কেন্দ্ৰই ৰিলে কৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে মুম্বাই ইণ্ডিয়ানছক ডাকৱৰ্থ-লেৱিছ-ষ্টাৰ্ণ চমুকৈ দি এল এছ পদ্ধতিৰে ৩ উইকেটত পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৫৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ উইল জেকছে সৰ্বাধিক ৫৩ ৰান কৰাৰ লগতে সূৰ্য কুমাৰ যাদৱে ৩৫ ৰানৰ বৰঙণি আগবঢ়ায়। গুজৰাটৰ হৈ ছাই কিশোৰে দুটা উইকেট দখল কৰে। মহম্মদ ছিৰাজ, আৰ্শদ খান, প্ৰসিদ্ধ কৃষ্ণা, ৰাছিদ খান আৰু জেৰাল্ট কুৱেটজে এটাকৈ উইকেট দখল কৰে। দুবাৰকৈ বৰষুণৰ বাবে বিঘ্নিত হোৱা খেলখনত গুজৰাটে ১৪৭ ৰানলৈ হ্ৰাস কৰা নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। গুজৰাটৰ হৈ ৪৩ ৰান সংগ্ৰহ কৰা শুভমন গিলক মেন অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। মুম্বাইৰ হৈ ট্ৰেনড ব'ল্ট, যশপ্ৰীত বুমৰাহ আৰু অশ্বিনী কুমাৰে দুটাকৈ উইকেট লাভ কৰে। এই জয়ৰ সুবাদত গুজৰাট টাইটানছ আই পি এল পদক তালিকাত শীৰ্ষ স্থানত আছে।

প্ৰতিযোগিতাত আজি কলকতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

**সমাপ্ত**